# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৮৫/২০২০

**মহাৰাষ্ট্ৰ, গুজৰাট, ৰাজস্থান, অন্ধ্ৰপ্ৰদেশ, কেৰালা, কৰ্ণাটকৰ মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ টেলিফোনযোগে বাৰ্তালাপ**

## বহিঃৰাজ্যকেইখনত আবদ্ধ হৈ থকা অসমৰ লোকসকলৰ সহায় হোৱাকৈ যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালৰ অনুৰোধ

### অসমত আবদ্ধ হৈ থকা বহিঃৰাজ্যৰ লোকসকলক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস মুখ্যমন্ত্ৰী সোণোৱালৰ

**দিছপুৰ, ১৮ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাক্‌ৰে, গুজৰাটৰ মুখ্যমন্ত্ৰী বিজয় ৰূপানী, ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলট, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী ৱাই এছ জগনমোহন ৰেড্ডী, কেৰালাৰ মুখ্যমন্ত্ৰী পি বিজয়ন আৰু কৰ্ণাটকৰ মুখ্যমন্ত্ৰী বি এছ য়েডিয়ুৰাপ্পাৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি লক ডাউনৰ সময়ছোৱাত বহিঃৰাজ্য কেইখনত আবদ্ধ হৈ থকা অসমৰ লোকসকলক সুৰক্ষিত কৰি ৰখা আৰু প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাৰ বিষয় সন্দৰ্ভত আলোচনা কৰে।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'ণা ভাইৰাছ প্ৰতিৰোধৰ বাবে ৰাষ্ট্ৰজুৰি কাৰ্যকৰী হৈ থকা লক ডাউনৰ ফলত সেই ৰাজ্যকেইখনত অধ্যয়ন কৰি থকা অসমৰ ছাত্ৰ-ছাত্ৰীকে ধৰি বিভিন্ন ক্ষেত্ৰত কৰ্মৰত হৈ থকা ব্যক্তি, চিকিৎসা আৰু বিভিন্ন উদ্দেশ্যে ৰাজ্যকেইখনলৈ যোৱা অসমৰ বহু সংখ্যক লোক ইতিমধ্যে আবদ্ধ হৈ পৰিছে। অসম চৰকাৰে এই লোকসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ নিজাববীয়াকৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যদিও সংশ্লিষ্ট ৰাজ্যকেইখনৰ তৰফৰ পৰা লাভ কৰা সহযোগিতাই এনেদৰে লক ডাউনত আবদ্ধ অসমৰ লোকসকলক যথেষ্ট সকাহ দিব। এই কথা উল্লেখ কৰি অসমৰ এই লোকসকলক সংশ্লিষ্ট ৰাজ্য চৰকাৰ কেইখনে আশ্ৰয়, খাদ্য যোগান, চিকিৎসাকে ধৰি প্ৰয়োজনীয় সকলো সা-সুবিধা যাতে আগবঢ়ায় তাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী কেইগৰাকীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ইতিমধ্যে বিভিন্ন ৰাজ্য চৰকাৰলৈ অসম চৰকাৰে এই সন্দৰ্ভত পত্ৰও প্ৰেৰণ কৰিছে। অসম চৰকাৰেও অন্য ৰাজ্যৰ পৰা এনে ধৰণৰ পত্ৰ লাভ কৰাৰ কথা মুখ্যমন্ত্ৰী সোণোৱালে বাৰ্তালাপৰ সময়ত উল্লেখ কৰে।

আলোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে মুখ্যমন্ত্ৰী কেইগৰাকীক আশ্বস্ত কৰি কয় যে লক ডাউনৰ সময়ছোৱাত তেখেতসকলৰ ৰাজ্যৰ যিসকল লোক অসমত আবদ্ধ হৈ আছে তেওঁলোকক সুৰক্ষিত কৰি ৰখাৰ লগতে এই সময়ছোৱাত যাতে তেওঁলোকে কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় সেই সন্দৰ্ভত অসম চৰকাৰে ইতিমধ্যে যথোচিত পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সেই লোকসকলক প্ৰয়োজনীয় সকলো সা-সুবিধা আগবঢ়োৱাৰ বাবে জিলাসমূহৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক ৰাজ্য চৰকাৰে ইতিমধ্যে নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে তেখেতে ব্যক্তিগতভাৱে ৰাজ্যখনৰ বিভিন্ন জিলা ভ্ৰমণ কৰি ক'ভিড-১৯ সংক্ৰমণ প্ৰতিৰোধী ব্যৱস্থাৰ বুজ লোৱাৰ সময়ত জিলা প্ৰশাসনসমূহে এই দিশত গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যবেক্ষণ কৰাৰ উপৰি বহিঃৰাজ্যৰ লোকসকলক সুৰক্ষিত কৰি ৰখা আৰু তেওঁলোকক প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাৰ বিষয়টোও পৰ্যালোচনা কৰিছে।

আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে মহাৰাষ্ট্ৰ, গুজৰাট, ৰাজস্থান, অন্ধ্ৰপ্ৰদেশ, কেৰালা আৰু কৰ্ণাটকৰ মুখ্যমন্ত্ৰীৰ সৈতে কৰ'ণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ বাবে প্ৰতিখন ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কতো আলোচনা কৰে। আলোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে অসম চৰকাৰে কৰ'ণা ভাইৰাছ প্ৰতিৰোধ কৰাৰ বাবে আৰু ক'ভিড-১৯ ত আক্ৰান্ত লোকসকলৰ চিকিৎসা, কুৱাৰেন্টাইন ইত্যাদি সংক্ৰান্তত গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে মুখ্যমন্ত্ৰী কেইগৰাকীক অৱগত কৰে। মুখ্যমন্ত্ৰী সোণোৱালৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত আটাইকেইগৰাকী মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ নিজ নিজ ৰাজ্যত আবদ্ধ হৈ থকা অসমৰ লোকসকলৰ সুৰক্ষাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে।

**পুঃডেঃ / বীঃগঃ /প্ৰঃকুঃবঃ**
**১৮/৪/২০২০**